# দৃশ্যান্তৰ

– হৰেকৃষ্ণ ডেকা

ভাষা বিষয়ক :

**১/ চমুউত্তৰ দিয়া :**

**( ক ) কবিয়ে কিমান বছৰৰ পাচত মানুহজনক লগ পাইছিল ?**
**উত্তৰ:** কবিয়ে পঁচিশ বছৰৰ পাচত মানুহজনক লগ পাইছিল ।

**( খ ) মানুহজনে কিয় নিজৰ ঘৰ বিচাৰি পাোৱা নাছিল ?**
**উত্তৰ:** মানুহজন কুকুৰীকণা আছিল বাবে মানুহজনে কিয় নিজৰ ঘৰ বিচাৰি পাোৱা নাছিল।

**( গ ) মানুহজনে নিজৰ ঘৰৰ পদূলি ক'ত বিচাৰিছিল ?**
**উত্তৰঃ** মানুহজনে নঙলামুখতে নিজৰ ঘৰৰ পদূলি বিচাৰিছিল ।

**( ঘ ) মানুহজনৰ ঘৰৰদাঁতিত কিহেনমস্কাৰৰ ভংগী কৰিছিল ?**
**উত্তৰঃ** মানুহজনৰ ঘৰৰ দাঁতিত আগলি বাঁহে নমস্কাৰৰ ভংগী কৰিছিল ।

**( ঙ ) কবিয়ে কেনে সময়ত মানুহজনক লগ পাইছিল ?**
**উত্তৰঃ** কবিয়ে গধূলি সময়ত মানুহজনক লগ পাইছিল ।

**২। সাতমহলীয়া ঘৰৰ বাহিৰত ৰৈ থকা মানুহজনে কবিৰ সৈতে কি কি কথা পাতিছিল ? তােমাৰ কথাৰে লিখা ।**

**উত্তৰঃ** সাতমহলীয়া ঘৰৰ বাহিৰত ৰৈ থকা মানুহজনে কবিলৈ সন্দেহৰ দৃষ্টিৰে চাই ভাড়াঘৰ বিচাৰি আহিছে নেকি সুধিছিল । মানুহজনে কবিৰ উত্তৰলৈ বাট নাচাই নিজেই নিজৰ মনােভাৱ প্ৰকাশ কৰিছিল । মানুহজনে পােনতে কৈছিল যে কুবেৰৰ এই মহলাত ক'ত ভাড়াঘৰ পাব , পালেও তাত শান্তি নাপাব ।

তেওঁ আকৌ কৈছিল । যে , মৰিলেও তাত দাহ কৰিবলৈও এজন মানুহ নাই । যখৰ পাোৱালিৰ দৰে তাৰ মানুহবােৰে কোনেও কাকো চিনি নাপায় । এইদৰে বৃদ্ধ মানুহজনে এইবােৰ কথা পাতিছিল ।

**৩। দৃশ্যান্তৰ কবিতাটোৰ মূলভাৱ লিখা ।**

**উত্তৰ:** হৰেকৃষ্ণ ডেকাৰ 'দৃশ্যান্তৰ'এটি আধুনিক কবিতা । বাস্তৱৰ ৰূঢ় সমাজৰ চিত্ৰ ইয়াত প্ৰকাশ পাইছে । আজিৰ সমাজত পুৰণি দিনৰ সেই আত্মীয়তানাই।নাই । ইয়াত দয়া , মৰম , ভালপাোৱা । সময়ৰ লগে লগে মানুহৰ মাজৰ পৰা শান্তিকণণা হেৰাই গৈছে । কংক্ৰীটৰ ওখ ওখ দেৱালবাোৰে যেন মানুহৰ হৃদয়তাে প্ৰাচীৰ সৃষ্টি কৰিছে ।

পঁচিশ বছৰীয়া দুটা দৃশ্যপটৰ মাজেৰে দুখন সমাজৰ ছবিইয়াত প্ৰকাশ কৰিছে । এখন সমাজ আছিল , প্ৰকৃতিৰ নিচেই কাষত । য'ত আছিল কাকিনী তামাোলেৰে পৰিপূৰ্ণ এখন নিজৰ ঘৰ । কিন্তু পঁচিশ বছৰৰ পিছত সকলাে সলনি হ'ল । কাকিনী তামাোলৰ বাৰীত এতিয়া গঢ়ি উঠিল ওখ ওখ অট্টালিকা । থাকিবলৈ বহুত ঘৰ হ'ল ।

কিন্তু মৰিলে দাহ কৰিবলৈও মানুহৰ অভাৱ হ'ল এতিয়া । মানুহৰ মাজত মানৱতাৰ অভাৱ ঘটিল। এতিয়াৰ মানুহে আনৰ কথা নাভাবি নিজৰ সুখতেই নিমজ্জিত । সময়ৰ লগে লগে সমাজখন উন্নতি হৈছে যদিও মানুহৰ মানসিকতা যে নাোহাোৱা হৈ আহিছে , তাকেই এই কবিতাটোৰ জৰিয়তে প্ৰকাশ কৰা হৈছে ।

**৪। " বৰশান্তিত আছে**
**এইপজাঁটিত ।**
**—কোনে , কিয় এইদৰে কৈছিল ?**

**কথাশাৰীৰ অন্তৰ্নিহিত ভাৱ মাোকলাই লিখা ।**

**উত্তৰ:** কবিয়ে লগপাোৱা মানুহজনে নিজৰ গাঁৱৰ ঘৰখনত যে শান্তিত বাস কৰিছিল তাকে এইদৰে কৈছে ।

আগৰ দিনত মানুহ আৰ্থিক দিশত টনকিয়াল নহ'লেও মানসিকভাৱে শান্তিত আছিল । নিজৰ ঘৰৰ নঙলামুখত বিচাৰি আছিল ঘৰৰ পদূলি । আৰু তেতিয়া তেওঁক সহায় কৰিছিল কবিয়ে । তেতিয়া মানুহৰ প্ৰতি মানুহৰ মৰম আছিল , সহানুভূতি আছিল । সেয়ে মানুহজনে পৰ্জাঘৰত থাকিও শান্তিত আছিল । মানুহৰ মাজত থকা দয়া , মৰম , প্ৰকৃতিৰ সৌন্দৰ্য আদিবাোৰৰ বাবেই মানুহজনে পৰ্জাঘৰটিতে শান্তিত বাস কৰিছিল । সেয়াই এই কথাশাৰীৰ অন্তনিহিত ভাৱ ।

**৫। " হেৰা অচিনাকি মানুহজন , তোমাক কি লাগেহে ইয়াত ? " —কোনে কিয় কবিক এনেদৰে সুধিছে বুজাই লিখা ।**

**উত্তৰ :** পঁচিশ বছৰৰ পিছত লগ পোৱা এজন বৃদ্ধ ফুজা মানুহে কবিক উক্ত কথাষাৰ সুধিছে। এটা সাত মহলীয়া অট্টালিকাৰ ওচৰত থিয় দি থকা বৃদ্ধজনে অচিনাকি যেন দেখি তাত তেওঁক কি লাগে সুধিছিল। তেওঁ কবিক জানিবলৈ দিছিল যে যদিয়ে কবিয়ে সেই কুবেৰৰ মহলাত ভাড়াঘৰ বিচাৰি আহিছে তেন্তে ভাড়াঘৰ পোৱাৰ আশা কম।

পালেও তেওঁ শান্তিত থাকিব নোৱাৰিব। তাত থকা মানুহবোৰক তেওঁ যখৰ পাোৱালি আখ্যা দি কৈছে যে সেই মানুহবাোৰ সকলাো নিজক লৈয়ে ব্যস্ত। সকলাো স্বাৰ্থপৰ। কোনেও কাৰো খবৰ নাৰাখে।

আধুনিকতাৰ ধামখুমিয়াত মানুহে হেৰুৱাই পেলালে নিজৰ সৰলতা। কৃত্ৰিমতাই সকলাোকে গ্ৰাস কৰি পেলালে। কংক্ৰীটৰ নগৰীত মানুহৰ মনুষ্যত্ব তথা মূল্যবাোধ নিঃশেষ হৈ গ'ল। সেয়েহে বৃদ্ধজনে তেওঁৰ কথাৰ মাজেৰে দয়াহীন , মানবতাহীন এখন যান্ত্ৰিক সমাজৰ ছবি ফুটাই তুলিছে।

**৬। দৃশ্যান্তৰ কবিতাটোত কবিয়ে কিদৰে পৰিবৰ্তিত সামাজিক জীৱনৰ ছবি। আঁকিছে তাোমাৰ ভাষাৰে বুজাই লিখা।**

**উত্তৰ :** 'দৃশ্যান্তৰ' কবিতাটোত কবিয়ে পৰিৱৰ্তিত সামাজিক জীৱনৰ ছবি অতি সুন্দৰভাৱে অংকন কৰিছে। কবিয়ে লগ পাোৱা ব্যক্তি এজনৰ প্ৰসংগত তেখেতে উন্মাোচন কৰিছে নগৰীয়া জীৱনৰ শুন্যতা আৰু অপ্ৰাপ্তি। কেঁচা আলি – কেঁকুৰিৰ পৰা কংক্ৰীটৰ হবিলৈকে বিবিধ চিত্ৰকল্পৰ মাজেৰে কবিয়ে আধুনিক মানুহৰ নিঃসংগতা আৰু চহৰীয়া জীৱনৰ যান্ত্ৰিকতাক প্ৰতিফলিত কৰিছে। দৃশ্যান্ত' নামটোতেই অন্তনিহিত আছে আমাৰ সমাজ জীৱনৰ পৰিৱৰ্তিত সত্য।

পঁচিশ বছৰৰ আগতে গধূলি সময়ত কেঁচা আলি কেঁকুৰিটোৰ ভাজত কবিয়ে এজন কুকুৰীকণা মানুহক লগ পাইছিল। ফটফটীয়া জোনাকতাো নিজৰেই ঘৰৰ পদুলিমুখত ৰৈ থকা মানুহজনে নিজৰ ঘৰটো বিচাৰি পাোৱা নাছিল। কবিয়ে মানুহজনক নিজৰ ঘৰৰ ফালে আগবঢ়াই দিওঁতে মানুহজনে তেওঁক কৈছিল তেওঁ হেনাো তাত বৰ শান্তিৰে আছে।

পঁচিশ বছৰ পিছত কবিয়ে পুনৰ লগ পালে সেই মানুহজনক যি বৰ্তমান বৃদ্ধ আৰু কুঁজা হৈ পৰিছে। এটা সাত মহলীয়া অট্টালিকাৰ ওচৰত থিয় দি থকা বৃদ্ধজনে অচিনাকি যেন দেখি কবিক তাত কি লাগে সুধিছিল। তেওঁ কবিক কৈছিল যে যদিহে কবিয়ে সেই কুবেৰৰ মহলাত ভাড়াঘৰ বিচাৰি আহিছে তেন্তে ভাড়াঘৰ পাোৱাৰ আশা কম। পালেও তাত শান্তিত থাকিব নাোৱাৰিব। তাত থকা মানুহবাোৰক তেওঁ যখৰ পাোৱালি আখ্যা দি কৈছে যে সেই মানুহবোোৰ

সকলোবাে ৰ নিজক লৈয়ে ব্যস্ত । সকলাে স্বাৰ্থপৰ । কোনেও কাৰে খবৰ নলয় । এনেদৰে কবিয়ে দুটা ভিন্ন অভিজ্ঞতাৰ মাজেৰে কবিতাটোত ভাব আৰু ভাষাৰ অনুপম সামঞ্জস্য ৰাখিবলৈ সক্ষম হৈছে । লগতে আধুনিকতাৰ ধামখুমিয়াই মানুহৰ মাজৰপৰা কাঢ়ি নিছে দয়া , মানৱতা আদি মানৱীয় গুণৰাশি । কৃত্ৰিমতাই মানুহক গ্ৰস কৰি পেলাইছে । নিঃশেষ হৈ গৈছে মানুহৰ মনুষ্যত্ব আৰু মূল্যবাে ধ । এইদৰে তেওঁ কথাখিনি সুন্দৰকৈ ফুটাই তুলিছে ।

**৭। ‘দৃশ্যান্তৰ’ কবিতাটোৰ কবিগৰাকীৰ এটা চমু পৰিচয় দিয়া ।**

**উত্তৰঃ** কবি পৰিচিতি :

**হৰেকৃষ্ণ ডেকা :-** ৰামধেনু যুগৰ শেহতীয়া কবিসকলৰ ভিতৰত অন্যতম । হৰেকৃষ্ণ ডেকাৰ জন্ম হয় ১৯৪৩ চনত তিনিচুকীয়াত । তাৰ পৰাই মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজত পঢ়ে । ১৯৬৫ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে । গুৱাহাটীত কমাৰ্চকলেজ অধ্যাপনাৰে চাকৰি জীৱন আৰম্ভ কৰি পাছত I.P.S. বিষয়া হয় আৰু আৰক্ষী সঞ্চালক হিচাপে অৱসৰ লয় ।

সাহিত্য ক্ষেত্ৰখনত ডেকাৰ অৱদান অতুলনীয় । তেওঁ ‘ The Sentinel ’ আৰু গৰিয়সীৰ সম্পাদক আছিল । সাগৰৰ সূৰ্যাস্ত ’ নামৰ কবিতাৰে ৰামধেনু’ত কাব্য চৰ্চাকৰা কবিগৰাকীৰ কবিতা পুথিকেইখন হ’ল — স্বৰবাে ৰ ( ১৯৭৩ ) , ৰাত্ৰি শাে ভাযাত্ৰা ( ১৯৮১ ) , আন এজন ( ১৯৮৬ ) , কবিতা ( ২০০২ ) আৰু ভালপাে ৱাৰ বাবে এষাৰ ( ২০০৩ ) ।

‘ গল্প আৰুকল্প ’ , মধুসূদনৰ দলং ’ মৃত্যুদণ্ড প্ৰাকৃতিক আৰু অন্যান্য আদি তেওঁৰ গল্পৰ পুথি । তেখেতৰ একমাত্ৰ উপন্যাস হ’ল— আগন্তুক । ইয়াৰ উপৰি তেওঁ কেইবাখনাে পুথি অসমীয়া ভাষালৈ অনুবাদ কৰিছে ।

১৯৮৭ চনত তেওঁ ‘ আন এজন ’ কবিতা পুথিৰ বাবে সাহিত্য অকাডেমী বঁটা , ১৯৯৬ চনত কথা বঁটা’আৰু ২০১০ চনত ‘ আসাম ভেলী লিটাৰেৰী’বঁটা লাভ কৰে ।

**৮। ব্যাখ্যা কৰা**

*( ক ) “ মৰিলে দাহ কৰিবলৈও*
*এজন মানুহ নাই । ”*

উত্তৰঃ ব্যাখ্যেয় কবিতাফাঁকি আমাৰ পাঠ্যপুথিত সন্নিবিষ্ট হৰেকৃষ্ণ ডেকা বিৰচিত ‘ দৃশ্যান্তৰ’কবিতাটোৰ পৰা তুলি দিয়া হৈছে ।

বৰ্তমান সময়ত মানুহৰ মাজৰ পৰা যে আত্মীয়তাৰ ভাৱ ক্ৰমাৎ হেৰাই গৈছে। তাকে ক'বলৈ কবিয়ে উক্ত কবিতাকিৰ অৱতাৰণা কৰিছে।

আগৰ পজা ঘৰৰ ঠাইত এতিয়া সাতমহলীয়া ওখ ওখ অট্টালিকা গঢ়ি উঠিছে। যিবাোৰৰ এটাতকৈ আনটোৰ ৰূপ চৰা। ইয়াত ভাড়ালৈও ঘৰ পাোৱা যায়। তেনে। ভাড়াঘৰত থাকিও কিন্তু শান্তি নাই। ইয়াত মানুহ এজন ঢুকালে সৎকাৰ কৰিবলৈ যাবলৈও এজন মানুহনাই সকলাে নিজক লৈ ব্যস্ত।

মানুহৰ মাজত ক্ৰমাৎ " হেৰাই যাোৱা আত্মীয়তা , মানৱতাৰ কথা প্ৰকাশ কৰিবলৈয়ে কবিয়ে বৃদ্ধজনৰ মুখেৰে এই। কথাফাকি কৈছে। এয়া আচলতে কবিৰ আধুনিক সমাজৰ প্ৰতি থকা এক ক্ষোভ।

*( খ ) " যখৰ পাোৱালীহঁতে কাক কোনে চায়। "*

উত্তৰঃ প্ৰশ্নোদ্‌ধৃত কবিতাফাঁকি আমাৰ পাঠ্যপুথিত সন্নিবিষ্ট হৰেকৃষ্ণ ডেকা বিৰচিত 'দৃশ্যান্তৰ' নামৰ আধুনিক কবিতাটোৰ পৰা তুলি দিয়া হৈছে।

ভাোগবাদী সমাজখনত মানুহকিদৰে একো একোটা আবেগহীন যন্ত্ৰলৈ ৰূপান্তৰিত কৰিছে সেই কথা ক'বলৈ গৈ কবিয়ে উক্ত কথাষাৰ অৱতাৰণা কৰিছে। ইয়াত যখৰ পাোৱালী বুলি আধুনিক যুগৰ দয়া – মমতাহীন , স্বাৰ্থপৰ মানৱ শ্ৰেণীক বুজাইছে।

কবিয়ে পঁচিশ বছৰৰ আগতে যিজন সহজ সৰল মানুহক লগ পাইছিল তেওঁ নিজৰ পঁজা ঘৰটোতে শান্তিৰে বাস কৰিছিল। সময়ৰ পৰিৱৰ্তনৰ লগে লগে আধুনিকতাই সকলাে গ্ৰাস কৰিলে। কংক্ৰীটৰ নগৰীত মানুষ মনুষ্যত্য তথা মূল্যবাোধ নিঃশেষ হৈ গ'ল। আধুনিকতাৰ ধামখুমিয়াত মানুহে পাহৰি গ'ল মানৱীয়তা , দয়া আদি মানৱীয় গুণৰাশি।

সেয়েহে এসময়ত পঁজা ঘৰটিতে থাকি শান্তি পাোৱা মানুহজনে এতিয়া অট্টালিকাত থাকিও শান্তি পাোৱা নাই। সেইবাবেই তেওঁ পঁচিশ বছৰৰ পিছত অট্টালিকাটোৰ সন্মুখত লগ পাোৱা কবিক কৈছে যে যদিহে কবিয়ে সেই কুবেৰৰ মহলাত ভাড়াঘৰ বিচাৰি আহিছিল তেন্তে ভাড়াঘৰ পাোৱাৰ আশা কম। পালেও তাত শান্তিত থাকিব নাোৱাৰিব।

তাত থকা মানুহবাোৰক তেওঁ যখৰ পাোৱালি আখ্যা দি কৈছে যে সেই মানুহবাোৰ কেৱল নিজক লৈ ব্যস্ত। কাৰোৰে কাৰোলৈ চাবলৈ সময়। নাই। বস্তুবাদী সমাজখনত সকলােবাোৰ একো একোটা যন্ত্ৰ।

*( গ ) " এই কংক্ৰীটৰ হাবিখনত তেওঁক*
*বিচাৰি নাপালা◌ে আৰু । "*

উত্তৰঃ প্ৰশ্নোদ্ধৃত কবিতাফাকি আমাৰ পাঠ্যপুথিত সন্নিবিষ্ট হৰেকৃষ্ণ ডেকা বিৰচিত 'দৃশ্যান্তৰ' নামৰ আধুনিক কবিতাটোৰ পৰা তুলি দিয়া হৈছে ।

ৰূঢ় বাস্তৱ কংক্ৰীটৰ সমাজখনত ক্ৰমাৎ মানুহবোৰ হেৰাই গৈছে , লগতে হেৰাই গৈছে মানুহৰ মাজৰ মানৱতা , দয়া , মমতা তাকে প্ৰকাশ কৰিবলৈ কবিয়ে এই কবিতাফাকি কবিতাটিৰ শেষত অৱতাৰণা কৰিছে ।

পঁচিশ বছৰৰ আগতে দেখা পজাঘৰটিৰ চিনমা◌েকাম না◌েহা◌েৱা হৈ বৰ্তমান তাত ওখ ওখ অট্টালিকা গঢ়ি উঠিছে । যিবা◌েৰৰ ৰূপ ইটোতকৈ সিটো চৰা । সেই কংক্ৰীটৰ । ওখ ওখ প্ৰাচীৰৰ মাজত ভাড়ালৈও ঘৰ পা◌েৱা যায় , কিন্তু তাত শান্তি নাই । মৰিলে সৎকাৰ কৰিবলৈ মানুহৰ সময়ৰ অভাৱ ।

যখৰ পা◌েৱালি স্বৰূপ এওঁলা◌েক কোনেও কাকো চিনি নাপায় । বৃদ্ধজনে মনৰ মাজৰ ক্ষোভ প্ৰকাশ কৰি কংক্ৰীটৰ ওখ ওখ অট্টালিকাৰে গঢ়া হাবিৰ মাজত সা◌েমাই গ'ল । তেওঁক আৰু বিচাৰি পা◌েৱা নগ'ল । এইদৰে প্ৰতিজন লা◌েকেই নিজৰ মাজতে হেৰাই যাব ধৰিছে ।

## ভাষা বিষয়ক :

**৯। বিপৰীত শব্দ লিখা**
**কেঁচা , গধূলি , পা◌েহব , শান্তিত , ৰূপ**

**উত্তৰঃ** কেশ্চা — পকা ।
গধূলি — পুৱা ।
পা◌েৰ — আন্ধাৰ ।
শান্তিত — অশান্তিত
ৰূপ — গুণ

**১০। এটাকৈ সমাৰ্থক শব্দ লিখা ।**
**জোন , ঘৰ , চৰা , দাহ , উভতি**

**উত্তৰঃ** জোন — চন্দ্ৰ ।
ঘৰ — ভৱন ।
চৰা — ওখ ।

দাহ — সৎসকাৰ ।
উভতি — গুছি ।

**১১। নঞৰ্থ শব্দ গঠন কৰাঃ**
**শান্তি , চিনাকি , সহায়**

**উত্তৰঃ** শান্তি — ন + শান্তি = অশান্তি
চিনাকি — ন + চিনাকি =অচিনাকি
সহায় — ন + সহায় = অসহায় । নমস্কাৰ’শব্দটো সন্ধি ভাঙিলে এনেহ’ব—
নমঃ + কাৰ । এইদৰে আন চাৰিটা শব্দ লিখি সন্ধিক

**উত্তৰঃ** পুৰঃ + কাৰ = পুৰস্কাৰ ।
মনঃ + তাপ = মনস্তাপ
বাচঃ + পতি = বাচস্পতি
তিৰঃ + কাৰ = তিৰস্কাৰ